জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৩
৩০ জুন ২০২৬ ■ মঙলবাৰ ■ ১৫ আহাৰ, ১৯৪৮ শক

ঢেকীয়াজুলিত বন বিভাগৰ তীব্ৰ অভিযান

অসম ফাৰ্ণিচাৰ হাউছত বৃহৎ পৰিমাণৰ চেগুন কাঠৰ ফাৰ্ণিচাৰ জব্দ, প্ৰতিষ্ঠান ছীল

দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ২৯ জুন ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি নগৰৰ অসম ফাৰ্ণিচাৰ হাউচত আজি বন বিভাগে তীব্ৰ অভিযান চলায়। গোপন তথ্যৰ ভিত্তিত তথা নিয়মীয়া তদাৰকীৰ অংশ হিচাপে চলোৱা এই অভিযানত বন বিভাগৰ বিষয়াবৰ্গই প্ৰতিষ্ঠানটোত বৃহৎ পৰিমাণৰ চেগুন কাঠৰ ফাৰ্ণিচাৰ জব্দ কৰিবলৈ সক্ষম হয়। বন বিভাগৰ সূত্ৰে জানিবলৈ দিয়া অনুসৰি জব্দ কৰা ফাৰ্ণিচাৰসমূহৰ সৈতে জড়িত প্ৰয়োজনীয় নথি-পত্ৰ পৰীক্ষা কৰা হয়। অভিযান চলাকালীন সময়ত কাঠৰ বৈধ উৎস আৰু সংৰক্ষণ সম্পৰ্কীয় বিষয়সমূহো খতিয়ান লোৱা হয়। ইফালে অভিযানৰ অন্তত দণ্ডাধীশৰ উপস্থিতিত অসম ফাৰ্ণিচাৰ হাউচ আনুষ্ঠানিকভাৱে ছীল কৰি দিয়া হয়। বন বিভাগে এই ঘটনাৰ সৈতে জড়িত বিভিন্ন দিশত অধিক তদন্ত আৰম্ভ কৰিছে। তদন্তৰ অন্তত যদি বন আইন উলংঘাৰ প্ৰমাণ পোৱা যায়, তেন্তে জড়িত ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বন বিভাগৰ দায়িত্বশীল সূত্ৰই জানিবলৈ দিয়ে। এই অভিযানক কেন্দ্ৰ কৰি ঢেকীয়াজুলি নগৰত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। বনজ সম্পদ সংৰক্ষণ আৰু অবৈধ কাঠ ব্যৱসায়ৰ বিৰুদ্ধে চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ অংশ হিচাপে আগন্তুক দিনতো এনে অভিযান অব্যাহত থাকিব বুলি বন বিভাগে স্পষ্ট কৰে। ইপিনে অসম ফাৰ্ণিচাৰ হাউচৰ স্বত্বাধিকাৰীয়ে কাঠৰ চালান আছে বুলি সংবাদ মাধ্যমৰ আগত দাবী কৰে।

হাতীধুৰা মহাবিদ্যালয়ত কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক বিভিন্ন দল-সংগঠনৰ সম্বৰ্ধনা

দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ২৯ জুন ঃ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰা মহাবিদ্যালয় প্ৰাংগনত আজি অসম চৰকাৰৰ সামাজিক ন্যায়, ভূমি সংৰক্ষণ আৰু সংখ্যালঘু উন্নয়ন দপ্তৰৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক অঞ্চলটোৰ বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ তৰফৰ পৰা উষ্ম আঁদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে গোলকগঞ্জ বিধান সভা সমষ্টিৰ পৰা বিধায়ক হিচাপে জয়ীহৈ মন্ত্ৰিত্ব লাভ কৰাৰ পিছত আজি অশ্বিনী ৰায় সৰকাৰে পোন প্ৰথমবাৰৰ বাবে সমষ্টিটোৰ অন্তৰ্গত তামাৰহাট আৰু হাতীধুৰা অঞ্চল ভ্ৰমণ কৰে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীগৰাকীয়ে আজি পোনে পোনে হাতীধুৰা মহাবিদ্যালয়ত উপস্থিতহৈ মহাবিদ্যালয় খনৰ কৰ্তৃপক্ষৰ লগত মত বিনিময় কৰাৰ পিছত মহাবিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত সম্বৰ্ধনা সভাত অংশ গ্ৰহণ কৰে। উক্ত সভা খনতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জাতীয় সংগঠন সমূহে মন্ত্ৰী গৰাকীক উষ্ম আঁদৰণি জনোৱাৰ লগতে শঢ়াই-ফুলাম গামছা আদিৰে বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি অসম চৰকাৰৰ মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে ভাষণ প্ৰসংগত কয় যে ভাৰত চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন নীতিৰ (নৰ্থ-ইষ্ট পলিচি) নিচিনাকৈ গোলকগঞ্জ সমষ্টিৰ উত্তৰ-পূৰত থকা বৃহত্তৰ তামাৰহাট আৰু হাতীধুৰা অঞ্চলৰ পৰা উন্নয়নৰ কাম-কাজ আৰম্ভ কৰা হ'ব। ইয়াৰ উপৰি তামাৰহাট আৰু কঠালতলীৰ মাজত গংগাধৰ নদীৰ ওপৰত দলং নিৰ্মাণ, সমষ্টিটোৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত পৰ্যায়ক্ৰমে বিজ্ঞান শাখা মুকলি কৰাকে ধৰি সমষ্টিটোৰ চুকে-কোনে এশ শতাংশ উন্নয়ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য সজল কুমাৰ সিংহ, হাতীধুৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰুবুল বৰ্মন, সহকাৰী অধ্যাপক জয়ন্ত কুমাৰ ৰায় আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গৌতম চন্দ্ৰ ৰায়েও ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি সভাত কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ কুমাৰ ৰায়, সাধাৰণ সদস্যদ্বয় ৰঞ্জিত কুমাৰ আৰু মনোজ কুমাৰ ৰায়, হাতীধুৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ শৌকত আহমেদ, ধুবুৰী জিলা বি জে পিৰ উপ সভাপতি শৈলেন কিশোৰ ৰায়, গংগাধৰ জিলা পৰিষদ সমষ্টিৰ সদস্যা মালতী ৰায়, গোলকগঞ্জ মণ্ডল বিজেপিৰ সভাপতি গবিন্দ অধিকাৰীৰ লগতে বিজেপি দলৰ জিলা পৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থাকে। সম্বৰ্ধনা সভা অনুষ্ঠিত হোৱাৰ পিছত মন্ত্ৰীগৰাকীয়ে গংগাধৰ নদীৰ বানপানী আৰু গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰে। উল্লেখ্য যে উক্ত সম্বৰ্ধনা অনুষ্ঠানখনৰ আঁত ধৰে বিজেপিৰ ধুবুৰী জিলা যুৱ মৰ্চাৰ উপ সভাপতি অনুপম কুমাৰ ৰায়ে।

জাখলিপাৰত অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস, বিধায়ক থানেশ্বৰ বসুমতাৰীক উষ্ম সম্বৰ্ধনা

অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সমন্বিতভাৱে কাম কৰাৰ আশ্বাস অধ্যক্ষ ৰণজিত কুমাৰ দাসৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৯ জুন ঃ ভাৰতীয় জনতা পাৰ্টীৰ বাক্সা জিলাৰ অন্তৰ্গত মথনগুৰী মণ্ডলৰ জাখলিপাৰস্থিত অস্থায়ী কাৰ্যালয়ত দেওবাৰে এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস আৰু মানাহ সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীক উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনোৱা হয়। বিটিআৰৰ প্ৰাক্তন কাৰ্যবাহী সদস্য গৌতম দাসৰ বিশেষ উদ্যোগত আৰু বাক্সা জিলা বিজেপি তথা মথনগুৰী মণ্ডলৰ উদ্যোগত অনুষ্ঠানটো আয়োজন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে কয় যে অঞ্চলবাসীয়ে আগবঢ়োৱা আন্তৰিক মৰম আৰু সন্মানে তেওঁলোকৰ ওপৰত অধিক দায়িত্ব আৰু কৰ্তব্য আৰোপ কৰিছে। তেওঁ কয়, বৰ্তমান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰ আৰু বিটিআৰত এনডিএ চৰকাৰৰ মাজত সুসমন্বয় বজাই ৰাখি মথনগুৰী অঞ্চলৰ ৰাইজৰ আশা-আকাংক্ষা পূৰণ আৰু দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ বাবে দৃঢ়তাৰে কাম কৰা হ'ব। অধ্যক্ষগৰাকীয়ে লগতে উল্লেখ কৰে যে মথনগুৰীত বিজেপিৰ প্ৰত্যক্ষ এমচিএলএ নাথাকিলেও এনডিএ মিত্ৰজোঁটৰ অংশ হিচাপে সকলো অংশীদাৰে সমিলমিলেৰে অঞ্চলটোৰ উন্নয়নৰ বাবে কাম কৰিব। বিধায়ক থানেশ্বৰ বসুমতাৰীৰ শলাগ লৈ ৰণজিৎ কুমাৰ দাসে কয় যে তেওঁ পূৰ্বৰ পৰাই নিষ্ঠাৰে জনসেৱা কৰি আহিছে। অনাগত দিনত দুয়োজনে একেলগে কাম কৰি চৰকাৰীভাৱে ৰূপায়ণ কৰিবলগীয়া উন্নয়নমূলক আঁচনিসমূহ মুখ্যমন্ত্ৰীৰ সহযোগত বাস্তৱায়িত কৰাৰ বাবে সকলোধৰণৰ প্ৰয়াস অব্যাহত ৰাখিব। ইপিনে বাক্সা জিলা বিজেপিৰ সভাপতি ৰিদীপ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিধায়ক থানেশ্বৰ বসুমতাৰীয়েও লাভ কৰা উষ্ম আদৰণিৰ বাবে অঞ্চলবাসী আৰু বিজেপি দলীয় কাৰ্যকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত সকলো পক্ষ, বিভাগ আৰু জনসাধাৰণৰ সৈতে সমন্বয় ৰক্ষা কৰি নিষ্ঠাৰে কাম কৰি যাব। অনুষ্ঠানখনত আতধৰি বিটিআৰৰ প্ৰাক্তন কাৰ্যবাহী সদস্য গৌতম দাসে কয় যে ৰণজিৎ কুমাৰ দাস আৰু থানেশ্বৰ বসুমতাৰীৰ অভিজ্ঞ নেতৃত্বত অঞ্চলটোৰ উন্নয়নৰ নতুন দিগন্ত উন্মোচিত হ'ব। তেওঁ ৰণজিৎ কুমাৰ দাসক সমগ্ৰ অঞ্চলটোৰ ৰাজনৈতিক অভিভাৱক বুলি অভিহিত কৰি কয় যে মথনগুৰী পৰিষদীয় সমষ্টিৰ বৃহৎ অংশ পূৰ্বতে তেওঁৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আছিল। সেইবাবেই অঞ্চলটোৰ উন্নয়নত তেওঁৰ উল্লেখযোগ্য অৱদান আছে। লগতে থানেশ্বৰ বসুমতাৰীৰ দীৰ্ঘ ৰাজনৈতিক অভিজ্ঞতাই এনডিএ মিত্ৰজোঁটক অধিক শক্তিশালী কৰি তুলিব বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে, এই সম্বৰ্ধনা অনুষ্ঠানত অঞ্চলটোৰ ৪০টাতকৈও অধিক সামাজিক, সাংস্কৃতিক আৰু স্বেচ্ছাসেৱী সংগঠনে দুয়োগৰাকী নেতাক ফুলাম গামোচা, শৰাই, জাপি আদিৰে সম্বৰ্ধনা জনায়। সভাত মথনগুৰী মণ্ডলৰ সভাপতি ঘনশ্যাম বৰ্মন, মণ্ডলৰ বিভিন্ন মৰ্চাৰ বিষয়ববীয়া, দলীয় কাৰ্যকৰ্তাৰ লগতে পাঁচ শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকি অনুষ্ঠানটো সফল কৰি তোলে।

ডিমাকুছিত আদিবাসী ছাত্ৰ সন্থাৰ হেল্প ডে' চেণ্টাৰৰ শুভাৰম্ভ

দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৯ জুন ঃ ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলৰ বৃহত্তৰ ডিমাকুছিত আদিবাসী ছাত্ৰ-ছাত্ৰী সকলৰ বাবে মুকলি কৰে অত্যাধুনিক সহায়ক কেন্দ্ৰ। বিশেষকৈ চাহ বাগিচা অধ্যুষিত অঞ্চলৰ আদিবাসী ছাত্ৰ-ছাত্ৰীসকল বৰ্তমান ডিজিটেল ইণ্ডিয়াৰ সময়তো সকলো দিশৰ পৰাই অতিকৈ পিছ পৰি আছে। শিক্ষা ক্ষেত্ৰৰ পৰা আৰম্ভ কৰি চাকৰি কৰ্মসংস্থাপন সকলোতে অৱহেলিত হৈ অহা পৰিলক্ষিত হৈছে। সেয়েহে চাহ বাগিচা অঞ্চলৰসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষেত্ৰত সুবিধাৰ্থে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ওদালগুৰি জিলা সমিতিৰ উদ্যোগত ডিমাকুছিত AASAA Help Desk Centre-ৰ শুভ উদ্বোধনী কৰে। উক্ত হেল্প ডেস্ক চেণ্টাৰটো ডিমাকুছিৰ মাজমজিয়াত ৪৫নং ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়োৱে দেওবাৰে ৰঙা ফিটা কাটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই সহায়ক কেন্দ্ৰটোৰ দ্বাৰা বৃহত্তৰ ডিমাকুছি অঞ্চলৰ বাদলাপাৰা চাহ বাগিচা, বৰঙ্গাজুলি চাহ বাগিচা, ডিমাকুছি চাহ বাগিচা, আটাৰীখাট চাহ বাগিচা, বামুনজুলি চাহ বাগিচা, শুৱলা চাহ বাগিচা, পানেৰী চাহ বাগিচা, ঔৰঙ্গাজুলি চাহ বাগিচাকে ধৰি বহুকেইখন চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো বিষয়তে আগতিয়াকৈ তথ্য পোৱাৰ উপৰিও শৈক্ষিক ক্ষেত্ৰত উপযোগী হোৱাৰ আশংকা কৰিছে বিধায়ক মহেশ্বৰ বড়ো আৰু আছাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি শিৱদত তাঁতীয়ে। অনুষ্ঠানত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ওদালগুৰি জিলা সমিতিৰ সভাপতি শিৱদত তাঁতী, আছা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰকাশ বাড়া, সদৌ অসম মহিলা সন্থা (আৱা)-ৰ সম্পাদিকা চিচিলিয়া টপ্প বাৰ্লা, ওদালগুৰি জিলা সমিতিৰ উপদেষ্টা সঞ্জুক চৰব, উপ-সভাপতি হিৰালাল প্ৰজা, লগতে ডিমাকুছি, বামুনজুলি আৰু ভেৰগাঁও আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদকসকল, বিষয়ববীয়াসকল আৰু বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। বিশেষকৈ আদিবাসী জনগোষ্ঠীৰ আই-মাতৃ, দাদা-ভাই সকল প্ৰায়ে চাহ বাগিছাত কৰ্মৰত, ৰাতিপুৱা ৭ বজাত দৈনিক কাম আৰম্ভ হৈ সন্ধিয়া ৫ বজাত ঘৰত আহিবলৈ, পিছত নিজৰ ঘৰুৱা কাম-কাজ কৰাত দিন শেষ হয়। ফলত চৰকাৰী আঁচনি বা বিভিন্ন সুবিধাৰ একো খবৰ নাপায় ফলত সকলো সুবিধাৰ পৰা বঞ্চিত হয়। সেয়েহে এই সমস্যাৰ সমাধানৰ উদেশ্যে আছাই এই পদক্ষেপ লৈছে। উদ্বোধনী অনুষ্ঠানত বক্তাসকলে AASAA Help Desk Centre-এ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনসাধাৰণক বিভিন্ন শৈক্ষিক, চৰকাৰী আঁচনি, নথি-পত্ৰ সম্পৰ্কীয় পৰামৰ্শ আৰু প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি শিৱদত তাঁতীয়ে।

মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত অভ্যসন কাৰ্যসূচী উদ্বোধন

দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৯ জুন ঃ মৰিগাঁও জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত আজি মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত অভ্যসন-শৈক্ষিক উত্তৰণৰ এক যাত্ৰা আৰু মিছন বালিকা কাৰ্যসূচীৰ শুভ উদ্বোধন কৰা হয়। মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীয়ে এই কাৰ্যসূচী উদ্বোধন কৰি শিক্ষা বিভাগৰ পদক্ষেপৰ শলাগ লয়। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াই অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে অভ্যসনৰ জৰিয়তে নৱম- দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে সাজু কৰা হৈছে। তদুপৰি মিছন বালিকাৰ জৰিয়তে ছাত্ৰীসকলক মাহেকীয়া সময়খিনিত সুৰক্ষিতভাৱে থকাৰ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হৈছে বুলি শিক্ষা বিষয়াগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকী, মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক নয়ন জ্যোতি বৰাৰ লগতে মৰিগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষকসকল, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়কসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, অনুষ্ঠানত ৫ খন বিদ্যালয়ৰ ১০গৰাকী ছাত্ৰ-ছাত্ৰীক অভ্যসন সামগ্ৰী প্ৰদান কৰাৰ লগতে মিছন বালিকাৰ অধীনত ৮গৰাকী ছাত্ৰীক অসম ফাউণ্ডেশ্যন নৰ্থ আমেৰিকাৰ সহযোগত চন্দ্ৰ সময় নামৰ সচিত্ৰ সজাগতামূলক পুথি প্ৰদান কৰা হয়। জিলা প্ৰালোচক বৰ্ষা বৰাই অনুষ্ঠানৰ আঁত ধৰে। স্মৰ্তব্য যে, মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াৰ পৰিকল্পনাৰে মৰিগাঁও জিলা শিক্ষা বিভাগ আৰু মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ এক অভিনৱ প্ৰয়াস 'অভ্যসন-শৈক্ষিক উত্তৰণৰ এক যাত্ৰা'। এই প্ৰয়াসৰ অধীনত জিলাখনৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চাৰিটা মুখ্য বিষয় গণিত, বিজ্ঞান, সমাজ বিজ্ঞান আৰু ইংৰাজী বিষয়ত 'অভ্যসন-শৈক্ষিক উত্তৰণৰ এক যাত্ৰা' নামৰ এখনি কাৰ্যপুথি প্ৰকাশ কৰা হৈছে। জিলাখনৰ উল্লেখিত চাৰিটা বিষয়ৰ ৪৪জন নিৰ্বাচিত শিক্ষকৰ দ্বাৰা কৰ্মশালাৰ জৰিয়তে নতুন শিক্ষা নীতি, নতুন পৰীক্ষা পদ্ধতি, নতুন প্ৰশ্ন পদ্ধতি আৰু পাঠ্যক্ৰমৰ আধাৰত এই কাৰ্যপুথিখন প্ৰস্তুত কৰা হৈছে। উক্ত বিষয়সমূহত প্ৰয়োজনীয় দক্ষতা বৃদ্ধি আৰু পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অনুশীলনৰ উপযুক্ত সমল প্ৰদান কৰি জিলাখনৰ শৈক্ষিক উত্তৰণ ঘটোৱাই এই প্ৰয়াসৰ মূল উদ্দেশ্য। এই কাৰ্যসূচীৰ যোগেদি প্ৰদান কৰা কাৰ্যপত্ৰ সমূহ বিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে আৰু নিৰ্দিষ্ট বিষয়ৰ ইতিমধ্যে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ তত্বাৱধানত বিদ্যালয়তে কাৰ্যপত্ৰ সমূহ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। সভাত মৰিগাঁও জিলা অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি পৰেশ নাথ, মৰিগাওঁ ডায়েটৰ কেইবাগৰাকী প্ৰবক্তা, মিছন বালিকাৰ নডেল শিক্ষয়িত্ৰী সকলৰ লগতে শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত আছিল।

তামুলপুৰ জিলাৰ পৌৰণি কাউলী বজাৰ বণিক সন্থাৰ ৪৪সংখ্যক প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে উদ্‌যাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৯ জুন ঃ তামুলপুৰ জিলাৰ অন্যতম পুৰণি বাণিজ্যিক কেন্দ্ৰ কাউলী বজাৰ বণিক সন্থাৰ ৪৪সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰে পৰা বজাৰখনৰ সকলো সৰু-বৰ ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰাখি পুৱা ঠিক ১০ বজাত সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দীপাংকৰ ভট্টাচাৰ্য আৰু প্ৰাক্তন সভাপতি সম্ভু দাসে যুটীয়াভাৱে সন্থাৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ পাছতে সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত বিনোদ বিহাৰী বিশ্বাস আৰু প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত সন্তোষ কুমাৰ সাহাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে সন্থাৰ বৰ্তমানৰ সাধাৰণ সম্পাদক শুভম দত্তই আঁত ধৰা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক দীপাংকৰ ভট্টাচাৰ্যৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক সাধন শৰ্মাই কাউলী বজাৰৰ জন্মলগ্নৰ ইতিহাস দাঙি ধৰি পুৰণি বহু মন্তব্য আগবঢ়ায়। আজিৰ এই 'সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিটিচিৰ কাৰ্যবাহী সদস্য তথা তামুলপুৰ সমষ্টিৰ বিধায়ক ভিক্টৰ দাসে ব্যৱসায়ীসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। তেওঁ কয়, 'চাৰি দশক পূৰ্বে মাথোঁ কেইখনমান চালিৰে আৰম্ভ হোৱা এই বজাৰ আজি শ পৰিয়ালৰ জীৱিকাৰ থলী হৈ পৰিছে। 'কাউলী বজাৰ কেৱল কিনা-বেচাৰ স্থল নহয়, এইখন অঞ্চলটোৰ অৰ্থনীতিৰ হৃদপিণ্ড। বিশেষকৈ সীমান্তৱৰ্তী গাঁৱৰ ক্ষুদ্ৰ কৃষক আৰু খেতিয়কে উৎপাদিত শাক-পাচলি, ধান-চাউল ইয়াতে বিক্ৰী কৰি পোনপটীয়াকৈ লাভৱান হৈছে।' লগতে যি সকল লোকৰ অৱদানৰ বাবে আজি এই বজাৰখনে স্থায়িত্ব লাভ কৰিছে তেওঁলোককো শ্ৰদ্ধাৰে সোঁৱৰে দুই জনপ্ৰতিনিধিয়ে। বিধায়কগৰাকীয়ে লগতে ঘোষণা কৰে যে অতি শীঘ্ৰে বজাৰখনৰ স্বচ্ছতাৰ বাবে পকী নলা নিৰ্মাণ, ৰাতিৰ নিৰাপত্তাৰ বাবে ষ্ট্ৰিট লাইট স্থাপন আৰু দোকানীসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে কাম কৰা হ'ব। উল্লেখযোগ্য যে, ১৯৮২ চনত বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে স্থাপিত এই ঐতিহাসিক বজাৰখনে আজি ৪৪ টা বছৰ অতিক্ৰম কৰিলে। বৰ্তমান এই বজাৰৰ সৈতে প্ৰায় ২০০গৰাকী স্থায়ী আৰু অস্থায়ী ব্যৱসায়ী প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বণিক সন্থাৰ সভাপতি সুজিত বিশ্বাস, নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ টি.চি.এল.চি.চি.ৰ অধ্যক্ষ শংকৰ দাস, বিশিষ্ট সমাজকৰ্মী যতীন সৰকাৰ, দিলীপ দাস, বিশ্বনাথ গোহাপাল, দুলাল সাহা প্ৰমুখ্যে অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি আৰু সন্থাৰ শতাধিক সদস্য উপস্থিত থাকে। সভাৰ শেষত সন্থাৰ সদস্যসকলৰ মাজত এক প্ৰীতিভোজনৰো আয়োজন কৰা হয়।

নামখলাত ড্ৰাগ্‌ছ সম্পৰ্কীয় সজাগতা সভা

দৈনন্দিন বাৰ্তাৰ সেৱা, পাথৰিঘাট, ২৯ জুন ঃ নামখলা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত ড্ৰাগ্‌ছ সম্পৰ্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। পঞ্চায়ত সদস্য নাৰায়ণ ভট্টই আঁতধৰা সভাখনত সভাপতিত্ব কৰে নামখলা গাঁও পঞ্চায়তৰ সভাপতি নিকুমনি শইকীয়াই। ছিপাঝাৰ সমজিলা আয়ুক্তৰ নিৰ্দেশনা অনুসৰি ২৮ জুন, ২০২৬ তাৰিখে দেওবাৰে দিনৰ ১২ বজাত উক্ত সভা খন অনুষ্ঠিত হয়। সভাত নামখলা গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁওসমূহৰ গাঁও প্ৰধানসকল, জীৱিকা সখীসকল, অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকল, পঞ্চায়তৰ বাৰ্ড সদস্যসকল, বিভিন্ন শিক্ষানুষ্ঠানৰ কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত



শিক্ষকসকল আৰু সচেতনমহল। সভাত ড্ৰাগছ সচেতনতাৰ ওপৰত বক্তব্য ৰাখে শিক্ষক শান্তিৰঞ্জন শইকীয়া, অৱসৰী শিক্ষক অতুল চন্দ্ৰ চহৰীয়া, গাঁওপ্ৰধান মোশ্বাৰফুল হ'ক, জীৱিকা সখী মিনাক্ষী কাকতি আৰু নামখলা আঞ্চলিক পঞ্চায়তৰ সদস্য মৃদুল কলিতাই। সভাই আগন্তুক দিনত মানৱ জীৱনত কুপ্ৰভাৱ পেলোৱা ড্ৰাগ্‌ছৰ এই ব্যাধি নিৰ্মূল কৰা সম্পৰ্কত বিভিন্ন সচেতন মহলৰ সৈতে আলোচনাত মিলিত হৈ প্ৰতিখন গাঁও বা ৱাৰ্ডত ৰাইজৰ সৈতে সভা পাতি সমিতি গঠন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

প্ৰপত্ৰ নং ৩
(নিয়মাৱলী-১৩ (১)(ক) চাওক)
ঋণ উদ্ধাৰ ন্যায়াধিকৰণ গুৱাহাটী
সুবৰ্ণ ভৱন, গৃহ নং ১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ ওচৰত, জি.এছ. ৰোড, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭ (অসম)
মোকৰ্দমা নং ঃ অ'এ/৬৫৮/২০২৫
আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪) ৰ অধীনত চমন, লগতে ঋণ উদ্ধাৰ ন্যায়াধিকৰণ (প্ৰক্ৰিয়া) বিধি, ১৯৯৩ৰ বিধি ৫ৰ উপ-বিধি (২ক) পঠনযোগ্য। কোটাক মহিন্দ্ৰা বেংক লিমিটেড বনাম হেনো খাতুন আৰু আনজন
প্ৰদৰ্শিত নথি নং ঃ ৬৪৪৪

প্ৰতি,
(১) হেনা খাতুন
বাসিন্দা, গাঁও- চলন্তাপাৰা, ডাকঘৰ- চলন্তাপাৰা, থানা- যোগীঘোপা, বঙাইগাঁও, অসম, পিন- ৭৮৩৩৮৮।
(২) মোস্তফা আহমেদ
বাসিন্দা, গাঁও- চলন্তাপাৰা, ডাকঘৰ- চলন্তাপাৰা, থানা- যোগীঘোপা, বঙাইগাঁও, অসম, পিন- ৭৮৩৩৮৮।

চমন
যিহেতু, **১৮/০৬/২০২৬** তাৰিখে সন্মানীয় প্ৰিজাইডিং বিষয়া/ ৰেজিষ্ট্ৰাৰৰ সন্মুখত অ'.এ./৬৫৮/২০২৫ তালিকাভুক্ত কৰা হৈছিল।
যিহেতু আপোনাৰ বিৰুদ্ধে **৩৭,০৫,৭৮৯.৯২** টকাৰ ঋণ আদায়ৰ বাবে দাখিল কৰা উক্ত আবেদনৰ ভিত্তিত আইনখনৰ ১৯(৪) ধাৰাৰ অধীনত এই সন্মানীয় ন্যায়াধিকৰণে চমন/ জাননী জাৰি কৰিছে (আবেদনৰ সৈতে নথি-পত্ৰ আদিৰ প্ৰতিলিপি সংলগ্ন কৰা হৈছে)।
আইনখনৰ ১৯ নম্বৰ ধাৰাৰ উপ-ধাৰা (৪) অনুসৰি, আপোনালোক বিবাদীসকলক তলত দিয়া ধৰণে নিৰ্দেশ দিয়া হৈছেঃ
(ক) চমন জাৰি হোৱাৰ অথবা ইয়াৰ প্ৰকাশ পোৱাৰ ত্ৰিশ দিনৰ ভিতৰত কিয় বিচৰা ধৰণৰ সকাহ মঞ্জুৰ কৰা নহ'ব, তাৰ কাৰণ দৰ্শাবলৈ;
(খ) মূল আবেদনৰ ৩ক ক্ৰমিক নম্বৰৰ অধীনত আবেদনকাৰীয়ে উল্লেখ কৰা সম্পত্তি আৰু সম্পত্তিৰ বাহিৰে আন কোনো সম্পত্তি বা পৰিসম্পত্তিৰ সবিশেষ প্ৰকাশ কৰিবলৈ;
(গ) সম্পত্তি ক্ৰোক কৰাৰ আবেদনৰ শুনানি আৰু নিষ্পত্তি নোহোৱালৈকে, আপোনালোকক মূল আবেদনৰ ৩ক ক্ৰমিক নম্বৰৰ অধীনত প্ৰকাশ কৰা সুৰক্ষিত সম্পত্তি বা তেনে অন্যান্য পৰিসম্পত্তি আৰু সম্পত্তিৰ লেনদেন কৰা বা হস্তান্তৰ কৰাৰ পৰা বিৰত কৰা হৈছে;
(ঘ) ন্যায়াধিকৰণৰ পূৰ্ব অনুমতি অবিহনে, আপোনালোকে নিজৰ ব্যৱসায়ৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ বাহিৰে অন্য কোনো উপায়েৰে— যেনে বিক্ৰী, লীজ বা অন্য কোনো ধৰণে— তেনে কোনো পৰিসম্পত্তি হস্তান্তৰ কৰিব নোৱাৰিব যাৰ ওপৰত সুৰক্ষিত স্বাৰ্থ সৃষ্টি কৰা হৈছে আৰু/অথবা মূল আবেদনৰ ৩ক ক্ৰমিক নম্বৰৰ অধীনত উল্লেখ বা প্ৰকাশ কৰা অন্যান্য পৰিসম্পত্তি আৰু সম্পত্তি হস্তান্তৰ কৰিব নোৱাৰিব;
(ঙ) ব্যৱসায়ৰ স্বাভাৱিক প্ৰক্ৰিয়াত সুৰক্ষিত পৰিসম্পত্তি বা অন্যান্য পৰিসম্পত্তি আৰু সম্পত্তি বিক্ৰী কৰি লাভ কৰা ধনৰ হিচাপ দিবলৈ আপোনালোক দায়বদ্ধ হ'ব আৰু তেনে বিক্ৰীৰ পৰা প্ৰাপ্ত ধন উক্ত পৰিসম্পত্তিৰ ওপৰত সুৰক্ষিত স্বাৰ্থ থকা বেংক বা বিত্তীয় প্ৰতিষ্ঠানত থকা একাউণ্টত জমা কৰিব লাগিব।
আপোনালোকক লিখিত বিবৃতি দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে, যাৰ এটা প্ৰতিলিপি **আবেদনকাৰীক** প্ৰদান কৰিব লাগিব আৰু **০৪/০৮/২০২৬ তাৰিখে ৰাতিপুৱা ১০:৩০** বজাত ৰেজিষ্ট্ৰাৰৰ সন্মুখত হাজিৰ হ'ব লাগিব, অন্যথা আপোনালোকৰ অনুপস্থিতিত আবেদনখনৰ শুনানি গ্ৰহণ কৰা হ'ব আৰু নিষ্পত্তি কৰা হ'ব।
আজিলৈ মোৰ স্বাক্ষৰ আৰু এই ন্যায়াধিকৰণৰ মোহৰৰ অধীনত প্ৰদান কৰা হ'ল ঃ ১৯/০৬/২০২৬।
চমন জাৰি কৰিবলৈ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ স্বাক্ষৰ
টোকা ঃ যিটো প্ৰযোজ্য নহয় সেয়া কাটি দিয়ক।
ৰেজিষ্ট্ৰাৰ,
ঋণ আদায় ন্যায়াধিকৰণ

ফৰ্ম নং ৩
[নিয়ম ১৩ (১)(এ) চাওঁক]
ঋণ আদায় ন্যায়াধীকৰণ গুৱাহাটী
সুবৰ্ণ ভৱন, ঘৰ নং ১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ ওচৰত, জি. এছ. ৰোড, উলুবাৰী, গুৱাহাটী-৭৮১০০৭ (অসম)
কেচ নং : অ'এ / ২৩৫ / ২০২৬
ঋণ আদায় ন্যায়াধীকৰণ (প্ৰক্ৰিয়া) আইন, ১৯৯৩ৰ ধাৰা ৫ৰ উপ-ধাৰা (২এ)ত উল্লেখ থকা ধাৰা ১৯ৰ উপ-ধাৰা (৪)ৰ অধীনত চমন।
ই এক্স এইছ. নং ঃ **৬২৮৬**
বেংক অব বৰোদা
- বনাম -
শ্ৰী আব্দুল জব্বৰ খান
প্ৰতি,
(১) শ্ৰী আব্দুল জব্বৰ খান, পিতা- বুন্নান খান, ঘৰ নং ১৫, পূব নিজৰাপুৰ, এ ই চি ৰোড, সুন্দৰবাৰী, জালুকবাৰী, গুৱাহাটী, কামৰূপ (ম), অসম - ৭৮১০১৪-ৰ নিবাসী।
আৰুঃ
সাহাবগঞ্জ, ৰামপুৰ, বগহা, কুশিনগৰ, উত্তৰ প্ৰদেশ- ২৭৪৩০৬-ৰ নিবাসী।
চমন
যিহেতু, **অ'এ / ২৩৫ / ২০২৬** মাননীয় প্ৰিছাইডিং অফিচাৰ / পঞ্জীয়কৰ সন্মুখত **১৭/০৬/২০২৬** তাৰিখে তালিকাভুক্ত কৰা হৈছিল।
যিহেতু, এই মাননীয় ন্যায়াধীকৰণে উক্ত আইনৰ ধাৰা ১৯(৪)ৰ অধীনত আবেদন (অএ) জাৰি কৰি আপোনালোকৰ বিৰুদ্ধে **২২,০৫,০০২.৫৬ টকা** পুনৰ আদায়ৰ বাবে চমন/ জাননী জাৰি কৰিছে (নথিপত্ৰৰ প্ৰতিলিপি আবেদনৰ সৈতে সংযুক্ত আছে)।
আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪)ৰ অনুসৰি আপোনালোকক, বিবাদীসকলক নিম্ন উল্লেখিত নিৰ্দেশনা দিয়া হ'ল ঃ-
(i) ৰিলিফৰ বাবে যি প্ৰাৰ্থনা জনোৱা হৈছে সেয়া কিয় মঞ্জুৰ কৰা নহয়, এই চমন / প্ৰকাশৰ ত্ৰিছ দিনৰ ভিতৰত তাৰ কাৰণ দেখুৱাব লাগিব।
(ii) মূল আবেদনৰ ক্ৰমিক নং ৩এ-ৰ অধীনত আবেদনকাৰীয়ে নিৰ্দ্ধাৰিত কৰা সম্পত্তি বা সম্পদ সমূহৰ বাহিৰে অন্য সম্পত্তি বা সম্পদৰ বিৱৰণ প্ৰকাশ কৰিব লাগিব।
(iii) মূল আবেদনৰ ক্ৰমিক নং ৩এ-ৰ অধীনত প্ৰকাশ কৰা সম্পদবোৰ আৰু সম্পত্তিবোৰ তথা আন সম্পদ বা সম্পত্তিবোৰৰ লেন-দেন বা নষ্ট কৰাত বাৰণ কৰা হৈছে, সম্পত্তিবোৰৰ সংযোগীকৰণৰ কাৰণে আবেদন শুনানী আৰু মীমাংসা স্থগিত কৰা হৈছে।
(iv) ন্যায়াধিকৰণৰ পূৰ্ব অনুমোদন অবিহনে মূল আবেদনৰ ক্ৰমিক নং ৩এ-ত নিৰ্দিষ্ট কৰি প্ৰকাশ কৰা সম্পদবোৰ আৰু সম্পত্তিবোৰ সাধাৰণ ব্যৱসায়িক কৰ্মৰ বাহিৰে বিক্ৰী, লীজ বা আনধৰণে বিনিময় কৰিব নোৱাৰিব যিবোৰ সম্পত্তিৰ ওপৰত আৰু / অথবা আন সম্পত্তিৰ ওপৰত প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰা হৈছে।
(v) প্ৰতিভূতি সম্পদ বা আন সম্পদ আৰু সম্পত্তিৰ সাধাৰণ ব্যৱসায়িক কাম কাজৰ বিক্ৰিৰ জৰিয়তে পৰিশোধ কৰিবলগীয়াৰ বাবে আপোনালোক দায়বদ্ধ হ'ব আৰু এনে বিক্ৰী প্ৰক্ৰিয়াৰ জমা বেংকে অথবা বিত্তীয় প্ৰতিষ্ঠানে প্ৰতিভূতি স্বাৰ্থ হিচাপে ৰখা তেনে সম্পদৰ একাউন্টত থকা উচিত।
ইয়াৰ উপৰিও আপোনালোকে লিখিত বিবৃতি জমা দিব লাগিব আৰু তাৰ এখন প্ৰতিলিপি আবেদনকাৰীৰ ওচৰত পেচ কৰিব লাগিব আৰু **০৩/০৮/২০২৬** তাৰিখে **পুৱা ১০.৩০ বজাত পঞ্জীয়কৰ** সন্মুখত হাজিৰ হ'ব লাগিব। এইনিৰ্দেশ মানিবলৈ ব্যৰ্থ হ'লে আপোনালোকৰ অনুপস্থিতিত আবেদনৰ শুনানী গ্ৰহণ কৰা আৰু সিদ্ধান্ত ঘোষণা কৰা হ'ব।
পেপাৰ বুকৰ বাবে নিম্নলিখিত ইউআৰএলঃ https://cis.drt.gov.in/drtlive/paperbook.php?ri=2026431560515 অনুসৰণ কৰক।
মোৰ স্বাক্ষৰ আৰু এই ন্যায়াধীকৰণৰ মোহৰ এই ১৮/০৬/২০২৬ তাৰিখে প্ৰদান কৰা হ'ল।
পঞ্জীয়ক
ঋণ আদায় ন্যায়াধীকৰণ, গুৱাহাটী

ESAF
ESAF SMALL FINANCE BANK
REGD. OFFICE: ESAF Bhavan, Mannuthy, Thrissur- 680 651, Kerala
GOLD AUCTION NOTICE
Notice is hereby given to the public that gold ornaments pledged with ESAF Small Finance Bank Ltd. against various loan accounts and remaining overdue/ unredeemed despite repeated notices will be auctioned for recovery of the Bank's dues, in accordance with applicable banking regulations and policies.

DETAILS OF AUCTION
Mode of Auction: Off-line (Physical Auction through Branches)
Date of Auction: 28-07-2026 | **Time:** 11:00 AM to 01:00 PM
Auction Venues: The auction will be conducted at the following ESAF Small Finance Bank branches in **Assam**
Interested bidders are requested to visit the respective branches for participation. For detailed branch addresses and contact numbers, please visit the Bank's official website
BRANCH NAME - LOAN ACCOUNT NUMBER
Mukalmua: 63260000135076.

Important Instructions: Borrowers may redeem their pledged gold ornaments by clearing the total dues along with applicable charges at least two days prior to the auction date. Interested bidders must carry valid KYC documents. GST Registration Number is mandatory for firms/companies, wherever applicable. Bidders are required to deposit an Earnest Money Deposit (EMD) of Rs.2,500 before participating in the auction. The auction will be conducted on an **"as is where is"** and **"as is what is"** basis. The Bank reserves the right to cancel/postpone the auction or reject any bid without assigning any reason. Participation in the auction shall be deemed acceptance of all terms and conditions of the Bank. The Minimum Reserve Price will be fixed by bank on the basis of IBJA Rate as applicable on the basis of purity of Gold.
Place: **Thrissur**
Date: **30 June 2026**
(Sd/-) Authorized Signatory
ESAF Small Finance Bank Ltd.

MANAPPURAM FINANCE LTD.
CIN:L65910KL1992PLC006623,
Registered Office:W-4/638A,ManappuramHouse, P.O.Valapad,Thrissur-680567,Kerala,India
নিলামৰ জাননী
সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষভাৱে বন্ধক দিওঁতা ব্যক্তিসকলক ইয়াৰ দ্বাৰাই জাননী দিয়া হ'ল যে নিম্নোক্ত একাউণ্টত বন্ধকত ৰখা সোণৰ গহনাৰ ৰাজহুৱা নিলাম নিম্নোক্ত শাখাত 16.07.2026-ত পুৱা 10.00 বজাৰ পৰা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে পঞ্জীকৃত পত্ৰযোগে জাননী দিয়া সত্বেও নিজৰ লোনৰ ধন পৰিশোধ কৰিবলৈ অপাৰগ হোৱা গ্ৰাহকসকলৰ সোণৰ গহনা আমি নিলাম কৰিবলৈ ওলাইছো। নিলামত ৰৈ যোৱা গহনা পুনৰ কোনো জাননী নিদিয়াকৈ আন যিকোনো দিনতে নিলাম কৰা হ'ব। নিলামৰ স্থান বা তাৰিখৰ ক্ষেত্ৰত ঘটা পৰিৱৰ্তন (যদিহে ঘটে) নিলাম কেন্দ্ৰত আৰু আমাৰ ৱেবচাইটত প্ৰদৰ্শন কৰা হ'ব পুনৰ কোনো জাননী নিদিয়াকৈ।
বন্ধকীৰ তালিকা:-
বঙাইগাঁও, বঙাইগাঁও, 0136990730024997, 5000, ডিব্ৰুগড়, ডিব্ৰুগড়, 0137170730014673, 4720, 4732, কামৰূপ, তিনিচুকীয়া, 0137250700015577, 5591, 5606, 5701, 5702, 0137250730021961, 2252, বেটেলিয়ন গেট, 0132410700033726, 0132410730047703, বেলতলা তিনিআলি, 0132420700039452, 9526, 9529, 9617, 9625, হাতিগাঁও, 0130100700029007, নাৰেঙ্গী, 0130190730043833, 3863, নৰ্থ জালুকবাৰী, 0132450700041759, 1863, 1880, 0132450730055032, পল্টন বজাৰ, 0133360700024199, চিক্স মাইল, 0125970700031209, শোণিতপুৰ, তেজপুৰ, 0137180700009825, 0137180730027829, তিনিচুকীয়া, তিনিচুকীয়া, 0137270700011673, 0137270730024467,
ওপৰৰ উল্লেখিত নিলামত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক ব্যক্তিসকলে তলত উল্লেখিত চৰ্তসমূহ মানি চলিব লাগিব:- আগ্ৰহী বিডাৰ সকলে নিলামৰ একেদিনাই এনইএফটি/আৰটিজিএচ -ৰ জৰিয়তে 10,000/- টকা ইএমডি হিচাবে জমা দিব লাগিব (অসফল বিডাৰ সকলক টকা ঘূৰাই দিয়া হব)। বিডাৰ সকলে বৈধ আইডি কাৰ্ড'পেন কাৰ্ড লগত ৰাখিব লাগিব। অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি 9072607147 নম্বৰত যোগাযোগ কৰক।
কৰ্তৃত্বশীল বিষয়া
মণপ্পুৰম ফাইনেন্স লিমিটেডৰ বাবে